জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬/২০২১

# অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অষ্টম বৈঠকত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ২৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অষ্টম বৈঠকত অধ্যক্ষতা কৰি প্ৰাধিকৰণে বিগত সময়ছোৱাত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰাৰ উপৰি ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন প্ৰস্তাৱত অনুমোদন জনায়। আজিৰ বৈঠকত ২০২১ চনলৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে লাভ কৰা পুঁজি আৰু ব্যয়ৰ খতিয়ান দাঙি ধৰা হয়। বৈঠকত ২০২০-২১ বৰ্ষত এছ ডি আৰ এফৰ অধীনৰ বিভিন্ন শিতানত মোকলাই দিয়া পুঁজি সন্দৰ্ভতো বিতং তথ্য দাঙি ধৰা হয়। তদুপৰি, এই বৈঠকতে ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষৰ ২৭ জানুৱাৰীলৈকে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ব্যয় কৰা বিভিন্ন শিতান সন্দৰ্ভতো খতিয়ান দাঙি ধৰা হয়। মুখ্যমন্ত্ৰীয়ে ২০১৬ চনৰ পৰা বৰ্তমানলৈ প্ৰতি বৰ্ষত এই শিতানসমূহৰ ব্যয়ৰ এক সুকীয়া তালিকা প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত ভাৰত চৰকাৰৰ পি এম কেয়াৰ ফাণ্ড তথা ইতিমধ্যে ৰাজ্য চৰকাৰে জাননী কৰা ৰিহেবিলিটেশ্যন পলিচি ফ'ৰ ইৰ'শ্যন এফেকটেড ফেমিলিছ অৱ আসাম-২০২০ ৰ বিষয়েও বিস্তৃতভাৱে অৱলোকন কৰা হয়। বৈঠকত বিগত চাৰে চাৰি বছৰত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সম্পাদন কৰা বিভিন্ন গুৰুত্বপূৰ্ণ কাম-কাজৰো পৰ্যালোচনা কৰা হয়। উল্লেখ্য যে বিভাগে ৰাজ্যখনৰ বিভিন্ন ঠাইত বানপানীৰ সময়ত বানাক্ৰান্তৰ বাবে মাল্টি পাৰপাজ ফ্লাড চেণ্টাৰ, ব্ৰজ্ৰপাতৰ আগজাননী দিয়া পদ্ধতি, ৰিভাৰ এটলাছ ইত্যাদিৰ দৰে বিভিন্ন কাম কৰিছে। বৈঠকত ১৬ টা  বিভাগৰ বিভাগীয় দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাৰো অনুমোদন জনোৱা হয়। আজিৰ বৈঠকতে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ  কৰ্মচাৰীৰ সেৱাৰ উন্নীতকৰণৰ প্ৰস্তাৱৰ ওপৰতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাক নিৰ্দেশ দিয়ে। বৈঠকত নেশ্বনেল আৰ্থ কুইক ৰিস্ক মিটিগেশ্যন প্ৰগ্ৰেমৰ অধীনত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদত স্থাপন হ'বলগীয়া ৰিজনেল টেকনিকেল ডেমনষ্ট্ৰেশ্যন ইউনিটৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত আসাম ইনটিগ্ৰেটেড ৰিভাৰ বেচিন মেনেজমেণ্ট প্ৰগ্ৰেমৰ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৈপৰীয়া ৰাইজৰ বাবে বাৰিষা কালত সহায়ক হোৱাকৈ পি এম এ ৱাইৰ অধীনত ভাসমান গৃহ নিৰ্মাণ ইত্যাদিৰ পৰিকল্পনা কৰাৰো পোষকতা কৰে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে নদীৰ সৈতে আমি সহাৱস্থান কৰাৰ অভ্যাস এটা গঢ়ি তুলিব লাগিব। নদীসমূহক আনি নেতিবাচক দৃষ্টিৰে চোৱাৰ সলনি ইতিবাচকভাৱে গ্ৰহণ কৰি ইয়াৰ লগত সহাৱস্থানৰ অভ্যাস এটা গঢ় দিব পাৰিলে আমি দুৰ্যোগৰ সময়তো বহু খিনি সকাহ লাভ কৰিব পাৰিম। আজিৰ বৈঠকত ডিজেষ্টাৰ ৰিস্ক ৰিডাকশ্যন ৰোডমেপ, ১৮

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

খন জিলাত কনষ্ট্ৰাকশ্যন অৱ ডিষ্ট্ৰিক্ট ইমাৰ্জেন্সী অপাৰেশ্যন চেণ্টাৰ, চাৰ্কুল ডিজেষ্টাৰ মেনেজমেণ্ট ফৰ্চ গঠন, ৰাষ্ট্ৰীয় বিদ্যালয় সুৰক্ষা নীতিৰ অধীনত মুখ্যমন্ত্ৰীৰ বিদ্যালয় সুৰক্ষা প্ৰগ্ৰেম, দুৰ্যোগ ব্যৱস্থাপনা সম্বন্ধীয় ডিজিটেল ডিছপ্লে ব'ৰ্ডৰ জৰিয়তে তথ্যৰ সৰবৰাহ ইত্যাদিৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়।

আজিৰ এই বৈঠকত সাংসদ প্ৰদান বৰুৱা, মুখ্য সচিব জিষ্ণু বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ছৈয়দ্দিন আব্বাছী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নকে ধৰি ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**২৮/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in